بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# আল্লাহৰ একত্ববাদৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ ঈমান উদ্ধীপক ঘটনাসমূহৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৩ মাৰ্চ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)ৰ জীৱনীৰ আলোকত বিগত দুটা জুমাৰ আগতে মই আঁহজৰত (ছাঃ)ৰ জীৱনীৰ দিশ সন্দৰ্ভত একত্ববাদৰ কথা উল্লেখ কৰিছিলোঁ। এই উদ্দেশ্য পূৰণৰ বাবেই তেখেত (ছাঃ)ৰ আগমন হৈছিল। কেৱল তেখেত (ছাঃ)ৰ নিজৰ কথা আৰু কৰ্মৰ দ্বাৰাই এই কথা প্ৰকাশ নাপায়, বৰঞ্চ তেখেত (ছাঃ)য়ে নিজৰ চাহাবা আৰু অনুগামীসকলৰ মাজত তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ কোৰবাণীৰ এনেকুৱা আত্মা সৃষ্টি কৰিছিল, যাৰ দৃষ্টান্ত পোৱা নাযায়।

আজিও মই তেখেত (ছাঃ)ৰ জীৱনীৰ এই দিশৰ বিষয়ে উল্লেখ কৰিম, আৰু এই উদ্ধৃতিত চাহাবা সকলৰ কিছুমান কোৰবাণীৰ কথাও উল্লেখ কৰিম।

এবাৰ পৌত্তলিকসকলে ৰছুলে কৰিম (ছাঃ)ক কৈছিল যে তুমি নেকি আমাৰ উপাস্যবিলাকৰ বিষয়ে এই ধৰণৰ কথা কোৱা, তেখেত (ছাঃ)য়ে কৈছিল, হয়! ইয়াৰ পিছত তেখেত (ছাঃ)ৰ চাৰিওফালে লোক একগোট হৈ গৈছিল। তেতিয়া কোনোবাই হজৰত আবু বক্কৰ (ৰাঃ)ক খবৰ দিছিল যে নিজৰ বন্ধুৰ খবৰ লওক। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তাৰ পৰা ওলাই মছজিদে হাৰামত গৈ উপস্থিত হৈছিল, তেখেত (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ চাৰিওফালে লোকসকলক একত্ৰিত হৈ থকা অৱস্থাত দেখিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে লোকসকলক কৈছিল, **আতাকতুলুনা ৰাজুলান আয় ইয়াকুলুনা ৰাববিয়াল্লাহ ওৱা কাদ জাআকুম বিলবায়্যিনাতি মিৰ ৰাববিকুম**। তোমালোকে সেই ব্যক্তিজনক এই কথা কোৱাৰ বাবে যে মোৰ

প্ৰভু আল্লাহ তেখেক হত্যা কৰিবা নেকি ? এই কথা কোৱাৰ পিছত তেওঁলোকে আঁহজৰত (ছাঃ)ক এৰি হজৰত আবু বক্কৰ (ৰাঃ)ক ঘেৰাও কৰি মাৰিবলৈ উদ্ধত হৈছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ ছোৱালীজনীয়ে কৈছিল, তেখেত (ৰাঃ)য়ে আমাৰ ওচৰত এনে অৱস্থাত আহিছিল যে তেখেত (ৰাঃ)য়ে নিজৰ চুলিত হাতেৰে স্পৰ্শ কৰাতেই চুলি তেখেত (ৰাঃ)ৰ হাতত আহিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে এবাৰ তেখেত (ছাঃ)য়ে বজাৰৰ মাজেৰে পাৰ হৈ গৈ আছিল, তেতিয়া মক্কাৰ এদল গাঁৱলীয়া লোকে তেখেত (ছাঃ)ৰ চাৰিওফালে একগোট হৈছিল, আৰু বাটতে তেখেত (ছাঃ)ক থাপ্পৰ মাৰি লোকসকলক কৈছিল যে এইজন ব্যক্তিয়ে কয় যে মই নবী হওঁ। তেখেত (ছাঃ)ৰ ওচৰীয়া ঘৰৰ পৰা লগাতাৰ শিল নিক্ষেপ কৰা হৈছিল, তেখেত (ছাঃ)ৰ ঘৰত লেতেৰা বস্তু দলিয়াই দিয়া হৈছিল। খাদ্য তৈয়াৰ কৰি থকা ঠাইতো লেতেৰা বস্তু দলিয়াইছিল। কিন্তু হাজাৰ হাজাৰ দৰূদ তেখেত (ছাঃ)ৰ কল্যাণময় অস্তিত্বৰ ওপৰত যে তৌহিদ প্ৰতিষ্ঠাৰ বাবে তেখেত (ছাঃ)ৰ বুকুত যিদৰে ব্যাকুলতা বিৰাজ কৰিছিল, সেয়া এক মুহূৰ্তৰ বাবেও হ্ৰাস পোৱা নাছিল। তেখেত (ছাঃ) য়ে সেই সকলো কষ্ট আনন্দ হৃদয়েৰে গ্ৰহণ কৰিছিল, আৰু মানৱজাতিৰ প্ৰতি দয়া আৰু ভালপোৱাৰ ক্ষেত্ৰত কোনো কমি হ'বলৈ দিয়া নাছিল।

হুজুৰ কৈছে, এবাৰ তেখেত (ছাঃ)য়ে মছজিদে হাৰামত থিয় হৈ মক্কাৰ পৌত্তলিকসকলক সম্বোধন কৰি কৈছিল, তোমালোকে **লা ইলাহা ইল্লাল্লাহ** কোৱা। অৰ্থাৎ আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই, তোমালোকে সফল হৈ যাবা। তেতিয়া কুৰাইশ সকলে তেখেত (ছাঃ)ৰ ওপৰত জাপি পৰে। পোনপ্ৰথমে হাৰিছ বিন হালা তেখেত (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হয়। হাৰিছে তেখেত (ছাঃ)ক ৰক্ষা কৰাৰ বাবে সেই লোকসকলৰ সৈতে যুঁজিবলৈ আৰম্ভ কৰিছিল, ৰছুলে কৰিম (ছাঃ)য়ে তেওঁক তাৰ পৰা আঁতৰাই আনিছিল। ইয়াৰ পিছত কুৰাইশৰ লোকসকলে তেওঁৰ ওপৰত জপিয়াই পৰে, যাৰ ফলত তেওঁ শ্বহীদ বৰণ কৰে।

মক্কাৰ কাফিৰসকলে তিনি বছৰ লৈকে তেখেত (ছাঃ)ক আৰু তেখেত (ছাঃ)ৰ বংশধৰসকলক শ্বাবে আবি তালিবত এনেদৰে বন্দী কৰি ৰাখিছিল যে তেওঁলোকৰ সৈতে সকলো ধৰণৰ সম্পৰ্ক ছিন্ন কৰিছিল। যেতিয়া বন্দীদশাৰ পৰা মুক্ত হৈছিল, তেতিয়া তেখেত (ছাঃ)য়ে তৌহিদ প্ৰচাৰৰ কাম আগতকৈ অধিক কৰিছিল।

তেখেত (ছাঃ)ৰ তায়েফৰ যাত্ৰাৰ এটা বিখ্যাত ঘটনা আছে, তাত তেখেত (ছাঃ)ৰ ওপৰত যি ধৰণৰ অত্যাচাৰ হৈছিল, সেয়া ইতিহাসত বিভিন্ন ধৰণে বৰ্ণনা আছে। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে লিখিছে যেতিয়া শ্বাবে আবি তালিবৰ পৰা মুক্ত হৈছিল, তেতিয়া তেখেত (ছাঃ)য়ে তায়েফত গৈ তাতে থকা লোকসকলক ইছলামৰ বাৰ্তা দিবলৈ ইচ্ছা কৰিছিল। তেখেত (ছাঃ)য়ে তায়েফত ১০ দিন অৱস্থান কৰিছিল, চহৰৰ মুখিয়াল সকলৰ সৈতে সাক্ষাৎ কৰিছিল, কিন্তু সেই চহৰৰ লোকসকলৰ ভাগ্য মক্কাৰ দৰেই ইছলাম গ্ৰহণ কৰাটো নিৰ্দিষ্ট নাছিল। শেষত তেখেত (ছাঃ)য়ে মক্কাৰ মূখ্য মুখিয়ালৰ ওচৰত গৈ ইছলামৰ পয়গাম দিছিল, কিন্তু তেওঁও ইছলাম গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি কৈছিল যে আপুনি ইয়াৰ পৰা গুচি যোৱাটোৱে উত্তম হ'ব। ইয়াৰ পিছত সেই দুৰ্ভগীয়াই চহৰৰ উন্মাদ লোকসকলক তেখেত (ছাঃ)ৰ ওপৰত আক্ৰমণ কৰিবলৈ উচটনি দিছিল। এই লোকসকলে হুলস্থুল সৃষ্টি কৰি তেখেত (ছাঃ)ৰ ওপৰত শিল নিক্ষেপ কৰা আৰম্ভ কৰিছিল, যাৰ ফলত তেখেত (ছাঃ)ৰ গোটেই শৰীৰ ৰক্তাক্ত হৈছিল। তায়েফৰ পৰা তিনি মাইল দূৰত মক্কাৰ মুখিয়াল উতবা বিন ৰাবিয়াৰ এখন বাগিচা আছিল। আঁহজৰত (ছাঃ)য়ে তাত গৈ আশ্ৰয় লৈছিল,

অত্যাচাৰীসকলে ভাগৰি পৰিছিল যাৰ বাবে উভতি গৈছিল। উতবাই নিজৰ এজন খ্ৰীষ্টান দাস উদাছৰ হাতত তেখেত (ছাঃ)ৰ বাবে কিছু আঙ্গুৰ পঠিয়াইছিল। তেখেত (ছাঃ)য়ে উদাছক নিজৰ নাম সুধি কৈছিল যে তুমি কোন ঠাইৰ সৈতে সম্পৰ্ক ৰখা ? তেওঁ কৈছিল যে মই নায়নাৰ সৈতে সম্পৰ্ক ৰাখো। তেখেত (ছাঃ)য়ে কৈছিল, মই তোমাৰ গাঁৱত আগমন কৰা মাতাৰ পুত্ৰ ইউনুচ নবীৰ ভাতৃ হওঁ। কিছু সময় তেখেত (ছাঃ)য়ে সেই বাগিচাত বিশ্ৰাম কৰি পিছত তেখেত (ছাঃ)য়ে তাৰ পৰা ৰাওনা হৈছিল।

কৈছে, আঁহজৰত (ছাঃ)য়ে তৌহিদ প্ৰতিষ্ঠাৰ বাবে মক্কাত ব্যক্তিগতভাৱে আৰু দলবদ্ধভাৱেও প্ৰচাৰৰ কাম কৰিছিল। আৰবৰ বজাৰত গৈছিল, তাত লোকসকলক এক খোদাৰ ফালে অনাৰ পয়গাম দিছিল। মক্কাৰ বাহিৰত বিভিন্ন ঠাইত লোক একত্ৰিত হৈছিল, ইয়াক আছওৱাকুল আৰব বুলি কোৱা হৈছিল। তাত আক্কাজ, মুজান্নাহ আৰু জুল মিজাজ নামৰ আৰবৰ বজাৰ আছিল। হজৰত জাবিৰ (ৰাঃ)ৰ পৰা বৰ্ণিত যে ৰছুলে কৰিম (ছাঃ)য়ে হজ্বৰ দিনত উকাজ আৰু মুজান্নাহৰ মেলাত গৈছিল আৰু লোকসকলৰ ঘৰত আৰু অৱস্থান কৰা ঠাইত গৈ ইছলামৰ পয়গাম দিছিল। তেখেত (ছাঃ)য়ে কৈছিল কোন আছে যিয়ে মোৰ সহায় কৰিব, যাতে মই নিজৰ প্ৰভুৰ পয়গাম লোকসকলক দিব পাৰো।

মক্কাৰ কুৰাইশসকলে এফালে আঁহজৰত (ছাঃ)ৰ ইছলামৰ পয়গাম প্ৰচাৰ কৰাত বাধা দিছিল, আনফালে ইছলাম গ্ৰহণ কৰা সকলৰ ওপৰত বৰ্বৰতা আৰু অত্যাচাৰ কৰিছিল আৰু এনে আচৰণ কৰিছিল যে ইয়াৰ ব্যাখ্যা লিখিবলৈ কলমতো শক্তি নাই। হজৰত বিলাল (ৰাঃ)য়ে ঈমান আনিছিল, তেতিয়া তেওঁৰ মালিকে তেওঁক ধৰি মাটিত শুৱাই তেওঁৰ ওপৰত শিল ৰাখিছিল আৰু গাইৰ চামৰাৰে ঢাকি কৈছিল যে তোমাৰ প্ৰভু লাত আৰু উজ্জা হয়, কিন্তু তেখেত (ৰাঃ)য়ে আহাদ আহাদ কৈছিল। ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক ৭ উকিয়া অৰ্থাৎ ২৮০ দিৰহামত ক্ৰয় কৰি স্বাধীন কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, কুৰাইশসকলে মক্কাত কেৱল মুছলমান সকলৰ ওপৰতেই অত্যাচাৰ কৰা নাছিল, বৰঞ্চ ৰছুলে কৰিম (ছাঃ)ৰ পৱিত্ৰ অস্তিত্বও সুৰক্ষিত নাছিল। তেখেত (ছাঃ)য়ে সকলোতকৈ বেছি দুঃখ আৰু কষ্টৰ সন্মুখীন হৈছিল। তেখেত (ছাঃ)ৰ নাম মহম্মদ। সেই নাম বিকৃত কৰি মুজাম্মিম ৰখা হৈছিল। যাৰ অৰ্থ হৈছে নাউজুবিল্লাহ সকলোতকৈ বেছি অপমানিত। নাউজুবিল্লাহ তেখেত (ছাঃ)ক কাজ্জাব (মিছলীয়া),প্ৰতাৰক, প্ৰৱঞ্চক আৰু লোভী বুলি কৈছিল। তেখেত (ছাঃ)ৰ ওপৰত শিল নিক্ষেপ কৰিছিল আৰু কেতিয়াবা লেতেৰা বস্তু তেখেত (ছাঃ)ৰ ওপৰত দলিয়াই দিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, মই সদায় আশ্চৰ্যৰ দৃষ্টিৰে দেখো যে এইজন আৰবী নবী যাৰ নাম মহম্মদ ছাঃ ( হাজাৰ হাজাৰ দৰূদ আৰু ছালাম তেখেতৰ ওপৰত) তেখেত কিমান উচ্চ মৰ্যাদা সম্পন্ন নবী, তেখেতৰ উচ্চ স্থান সম্পূৰ্ণৰূপে জানিব পৰা নাযায়, তেখেতৰ পৱিত্ৰতাৰ প্ৰভাৱৰ ধাৰণা কৰাটো মানুহৰ কাম নহয়। পৰিতাপৰ বিষয় এই যে যিদৰে তেখেতক চিনি পোৱাৰ অধিকাৰ আছিল সেইদৰে তেখেতৰ মৰ্যাদাক চিনাক্ত কৰা হোৱা নাই। সেই একত্ববাদ যি পৃথিৱীৰ পৰা নাইকিয়া হৈ পৰিছিল, সেয়া পুনৰায় পৃথিৱীত প্ৰতিষ্ঠা কৰা এজন বীৰ। তেখেত খোদাৰ সৈতে অসীম প্ৰেম কৰিছে, মানৱজাতিৰ সহানুভূতিৰ ক্ষেত্ৰত শিখৰত উপনীত হৈছিল। সেই কাৰণে তেখেতৰ হৃদয়ৰ ৰহস্য জনা খোদা তা'লাই তেখেতক সকলো নবী, প্ৰথম আৰু শেষৰ নবীসকলৰ মাজত শ্ৰেষ্ঠত্ব প্ৰদান কৰিছে, আৰু তেখেতৰ উদ্দেশ্য তেখেত (ছাঃ)ৰ জীৱন কালতেই পূৰণ কৰিছে। তেখেতেই সকলো নিজৰাৰ কেন্দ্ৰবিন্দু। সেই ব্যক্তি যিয়ে তেখেতৰ স্বীকৃতি অবিহনে কল্যাণমণ্ডিত হোৱাৰ দাবী কৰে, তেওঁ মানুহ নহয়, বৰঞ্চ চয়তানৰ বংশধৰ।

কিয়নো সকলো কল্যাণৰ চাবি তেখেতক দিয়া হৈছে আৰু সকলো সত্যৰ ভঁৰাল তেখেতক প্ৰদান কৰা হৈছে। যিয়ে তেখেতৰ জৰিয়তে কল্যাণ লাভ নকৰে তেওঁ চিৰস্থায়ী কল্যাণৰ পৰা বঞ্চিত। আমি কি আৰু আমাৰ বাস্তৱতা কি ? যদি আমি এই কথাৰ স্বীকাৰ নকৰো যে সেই নবীৰ জৰিয়তে একত্ববাদ লাভ কৰিছোঁ, জীৱিত খোদাক চিনিব পাৰিছো, পোহৰ লাভ কৰিব পাৰিছো, খোদাৰ সৈতে কথোপকথন লাভ কৰি খোদাৰ চেহেৰা দেখাৰ সৌভাগ্য লাভ কৰিছোঁ তেন্তে আমি কাফিৰৰ অনুগ্ৰহৰ অন্তৰ্ভুক্ত।

তেওঁ কৈছে যে সেই পথ প্ৰদৰ্শনৰ সূৰ্যৰ পোহৰ ৰ'দৰ দৰে আমাৰ ওপৰত পৰিছে, তেতিয়ালৈকে আমি আলোকিত হ'ব পাৰিম, যেতিয়ালৈকে ইয়াৰ সন্মুখত থিয় হৈ থাকিম। যিসকলে এই ভুল ধাৰণাত লিপ্ত যে যি ব্যক্তি তেখেত (ছাঃ)ৰ ওপৰত বিশ্বাস স্থাপন নকৰিব বা ধৰ্মত্যাগী হৈ পৰিব বা তৌহিদৰ ওপৰত প্ৰতিষ্ঠিত থাকিব আৰু খোদাক একক আৰু তেওঁৰ বাহিৰে আন কোনো উপাস্য নাই বুলি গণ্য কৰিব তেওঁ মুক্তি পাই যাব; আৰু কয় যে বিশ্বাস স্থাপন নকৰাৰ ক্ষেত্ৰত বা ধৰ্মত্যাগী হোৱাৰ ক্ষেত্ৰত একোৱে পাৰ্থক্য নপৰে…। মুক্তি দুটা ক্ষেত্ৰত প্ৰযোজ্য, (১) সম্পূৰ্ণ বিশ্বাসৰ সৈতে খোদা তা'লাৰ এক অস্তিত্ব আৰু একত্ববাদৰ ওপৰত বিশ্বাস স্থাপন কৰা। (২) দ্বিতীয়তে, তেওঁৰ অন্তৰত একত্ববাদৰ প্ৰতি এনে নিখুঁত প্ৰেম সৃষ্টি হোৱা উচিত যাৰ আধিপত্যৰ ফলাফল এয়া যে মহান আল্লাহৰ আজ্ঞা পালন তেওঁৰ নিজস্ব আৰাম হৈ পৰে, যাৰ অবিহনে তেওঁ জীয়াই থাকিব নোৱাৰে, আৰু তেওঁৰ প্ৰেম আন সকলো প্ৰেমক মোহাৰি পেলাই শিখৰত উপনীত হয়, এয়াই হৈছে প্ৰকৃত তৌহিদ যে আমাৰ নবী কৰিম (ছাঃ)ৰ আনুগত্য অবিহনে লাভ হ'বই নোৱাৰে। কিয় লাভ হ'ব নোৱাৰে ? ইয়াৰ উত্তৰ এইটো যে খোদাৰ অস্তিত্ব অদৃশ্যৰ পৰা অদৃশ্য আৰু কেৱল মানুহৰ বুদ্ধিয়ে সেইজনাৰ বিষয়ে জানিব নোৱাৰে, ই অতিশয় গোপন বিষয়, যালৈ মানুহৰ শক্তিয়ে গৈ পাব নোৱাৰে, আৰু কোনো বিবেকৰ যুক্তিয়েও খোদাৰ অস্তিত্বৰ নিশ্চিত প্ৰমাণ দিব নোৱাৰে। কাৰণ বুদ্ধিৰ সাধনা আৰু চেষ্টা কেৱল এই পৃথিৱীৰ সৃষ্টিসমূহলৈ চাই সৃষ্টিকৰ্তাৰ প্ৰয়োজনীয়তা অনুভৱ কৰাৰ পৰিসৰলৈহে থাকে। কিন্তু প্ৰয়োজনীয়তা অনুভৱ কৰাটো এটা কথা, আৰু নিশ্চিত বিশ্বাসলৈ উপনীত হোৱা খোদাৰ অস্তিত্ব আছে সেয়া পৃথক কথা….গতিকে নিশ্চিতকৈ ক'ব পাৰি যে তৌহিদৰ বিশ্বাস কেৱল নবীৰ জৰিয়তেই লাভ হ'ব পাৰে ….সেয়েহে আমি আঁহজৰত (ছাঃ)ৰ সৈতে সঁচা অৰ্থত প্ৰেম কৰা উচিত। এই যুগত আল্লাহ তা'লাই আঁহজৰত (ছাঃ)ৰ সত্য দাসক তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ প্ৰেৰণ কৰিছে আৰু আমি তেখেত (আঃ)ৰ দীক্ষা গ্ৰহণ কৰিছোঁ। গতিকে ইয়াৰ অধিকাৰ আদায় কৰাৰ বাবে সম্পূৰ্ণৰূপে চেষ্টা কৰা উচিত। তৌহিদ প্ৰতিষ্ঠা সকলোৰে আগত সৰ্বশ্ৰেষ্ঠ হোৱাৰ বাবে ৰমজানৰ দিনবোৰত বিশেষকৈ দোৱা কৰা উচিত। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক। মুছলমান উম্মতৰ বাবে দোৱা কৰিব, যাতে তেওঁলোকে প্ৰকৃত তৌহিদক বুজি পাই তাৰ ওপৰত কৰ্মৰত থাকিব পাৰে।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় জিকৰুল্লাহ তাইউ আয়ুব চাহাব মুৰববী ছিলছিলা নাইজেৰিয়াৰ সদগতি উল্লেখ কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB